# Dispur College launches schemes for transgender students

GUWAHATI, June 30: Dispur College, Guwahati is introducing two schemes for transgender students from the current academic session 2023-24, a press release stated.

The college authorities have informed that from this session, the college will reserve 5 seats each in both Arts and Commerce streams in the Under Graduate course for transgender students. The Principal, Dr Navajyoti Borah, also informed that at least 2 needy transgender students will be given free admission. To avail free admission, they will have to provide proper documents. Those who don't have a BPL card can apply by making an affidavit. The college authority has taken this step to encourage more and more such students to come out and go for higher education.

"It is worth mentioning that the college already has a separate washroom for transgenders. It has also helped in the activities taken up for the benefit of the transgenders in the community. It has also introduced the 'Gender Champion programme and conducted activities under it for creating awareness among students about such children. Any interested transgender student interested can contact the College authority for further details, the release added.



## দিছপুৰ মহাবিদ্যালয়

# বহুমুখী সমবায় সমিতি মুকলি

**গুৱাহাটী, ৬ জুলাই ঃ** দিছপুৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰীৰ উপস্থিতিত আজি এখন বহুমুখী সমবায় সমিতি মুকলি কৰা হয়। উক্ত অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক ড° শশীমোহন দাসে। আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষভাৱে সমবায় ভিত্তিত অৰ্থনৈতিক কাৰ্যকলাপ জনপ্ৰিয় কৰাৰ উদ্দেশ্যে এই প্ৰচেষ্টা লোৱা হৈছে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে পাঠ্যক্ৰম অধ্যয়ন কৰাৰ লগতে বিভিন্ন উপাৰ্জনমুখী কাৰ্যত নিজকে জড়িত কৰিব পাৰিব। এই সমবায় সমিতিৰ যোগেদি ‘কমন ছাৰ্ভিচ চেণ্টাৰ’ সৰ্বসাধাৰণ ৰাইজৰ বাবে উপলব্ধ হ’ব বুলিও অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব আৰু সমবায় সমিতিসমূহৰ পঞ্জীয়ক নাৰায়ণ কোঁৱৰে কয় যে আমি ছাত্ৰ-ছাত্ৰীক উৎকৰ্ষ বিকাশৰ যোগেদি উদ্যমিতা আৰু উদ্যোগীকৰণৰ ফালে আগবঢ়াই লৈ যাব লাগিব। অসমীয়া মানুহৰ মনত যদি উদ্যোগীকৰণৰ মনোভাব নাথাকে, যিমান যি আন্দোলন কৰিলেও সফল নহয় বুলি কোঁৱৰে মন্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চাৰিখন ত্ৰিমাসিক সংবাদপত্ৰ আৰু এটি নিয়োগ কেন্দ্ৰৰো কাৰ্যালয় মুকলি কৰা হয়।

অসম
ৰবাৰ ■ ২১ আহাৰ, ১৯৪৫ শক
■ ৭ জুলাই ২০২৩

●●● ন
স্বৰ্গীয় ধাৰণাহে দিব
পণ্ডিতসকলে ছাত্ৰ-ছাত্ৰীক মা
হিন্দু ধৰ্মৰ জীৱ-সৃষ্টিকৰ্তা
ছত্ৰছায়াত প্ৰজ্ঞাৰ কোনো স্থান

# দিশপুৰ কলেজত বহুমুখী সমবায় সমিতি

'আমাৰ অসম'ৰ মহানগৰৰ বিশেষ প্ৰতিবেদক, ৬ জুলাইঃ দিশপুৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰীৰ উপস্থিতিত বৃহস্পতিবাৰে মহাবিদ্যালয় প্ৰাংগণত এখন বহুমুখী সমবায় সমিতি উদ্বোধন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক ড° শশীমোহন দাসে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষভাবে সমবায় ভিত্তিত অৰ্থনৈতিক কাৰ্যকলাপ জনপ্ৰিয় কৰাৰ উদ্দেশ্যে এই প্ৰচেষ্টা লোৱা হৈছে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে পাঠ্যক্ৰম অধ্যয়ন কৰাৰ লগতে বিভিন্ন উপাৰ্জনমুখী কাৰ্যত নিজকে জড়িত কৰিব পাৰিব। এই সমবায় সমিতিৰ যোগেদি এক Common Service Centre সৰ্বসাধাৰণ ৰাইজৰ বাবেও উপলব্ধ হ'ব বুলিও অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব আৰু সমবায় সমিতিসমূহৰ পঞ্জীয়ক নাৰায়ন কোঁৱৰে কয় যে আমি প্ৰত্যেকজন যুৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক উৎকৰ্ষ বিকাশৰ যোগেদি উদ্যমতা আৰু উদ্যোগীকৰণৰ ফালে আগবঢ়াই লৈ যাব লাগিব। "অসমীয়া মানুহৰ মনত যদি উদ্যোগীকৰণৰ মনোভাৱ নাথাকে, যিমান যি আন্দোলন কৰিলেও সফল নহয়" বুলি কোঁৱৰে মন্তব্য কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ৪খন ত্ৰিমাসিক সংবাদপত্ৰ আৰু এটি নিয়োগ কেন্দ্ৰৰো কাৰ্যালয় মুকলি কৰা হয়।

নিয়মীয়া বাৰ্তা শুকুৰবাৰ, ৭ জুলাই ২০২৩



## ছাত্ৰ-ছাত্ৰী-শিক্ষক-কৰ্মচাৰীক আৰ্থিক সহায়ৰ লক্ষ্য

# দিছপুৰত মহাবিদ্যালয়ত বহুমুখী সমবায় সমিতি গঠন

মহানগৰ বিশেষ বাৰ্তা, ৬ জুলাই ঃ দিছপুৰ মহাবিদ্যালয়ত আজি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ সুবিধাৰ্থে এখন বহুমুখী সমবায় সমিতি উদ্বোধন কৰা হয়। 'এক কমন ছাৰ্ভিচ' আঁচনিৰ অধীনত কৰ্মচাৰী আৰু জনসাধাৰণক বিভিন্ন সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে মুকলি কৰা হয় সমবায় সমিতিখন। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত আদৰণী ভাষণত দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই ছাত্ৰ-ছাত্ৰীসকলক সমবায় ভিত্তিত অৰ্থনৈতিক কাম-কাজ গ্ৰহণ আৰু সম্পন্ন কৰাৰ প্ৰশিক্ষণৰ বাবে সমিতিখন প্ৰতিষ্ঠা কৰা হৈছে বুলি প্ৰকাশ কৰে। এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ সময়ত ধন উপাৰ্জন কৰাত সহায় কৰিব আৰু তেওঁলোকক উদ্যোগীকৰণত সহায় কৰিব বুলি আশা কৰে। ইয়াৰ উপৰি সমবায় সমিতিসমূহৰ অধীনত স্থানীয় জনগোষ্ঠীক চৰকাৰী সেৱা আগবঢ়াবলৈ এটা উমৈহতীয়া সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে দিছপুৰ কলেজত। এই অনুষ্ঠানত অসম চৰকাৰৰ শিক্ষা বিভাগৰ সম্পাদক তথা সমবায় সমিতিৰ পঞ্জীয়ক নাৰায়ণ কোঁৱৰ উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ কেৰিয়াৰ কাউন্সেলিং এণ্ড প্লেচমেণ্ট চেলৰ বাবে এটা কাৰ্যালয় মুকলি কৰা হয়। এই অনুষ্ঠানতে তিনিখন ত্ৰিমাসিক বাতৰিকাকত উন্মোচন কৰা হয়।



# Cooperative society inaugurated at Dispur College

**STAFF REPORTER**

GUWAHATI, July 6: A multipurpose cooperative society was inaugurated at Dispur College in the presence of students, teachers, and employees today.

The society aims to provide various services to its employees and the public under the scheme of 'A common service'.

It was registered under the Societies Registration Act of the Government of Assam.

Dr Navajyoti Borah, principal of Dispur College, said the society was established to train students in undertaking and accomplishing economic activities on a cooperative basis.

"The initiative is expected to help students earn money while studying and foster entrepreneurship among them. Additionally, a common service centre has been set up under the cooperative society to offer government services to the local community," he said.

Narayan Konwar, secretary of the Department of Education and Registrar of Cooperative Societies, Government of Assam was present on the occasion.